**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৪২/২০২০**

**চৰাইদেউত আয়োজিত কেন্দ্ৰীয় মে-ডাম-মে-ফী অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

**ইতিহাস সংৰক্ষণ আৰু অধ্যয়নত আমি গুৰুত্ব প্ৰদান কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ৩১ জানুৱাৰী ঃ** 'যি গৰাকী প্ৰবাদ পুৰুষে সমাজ নিৰ্মাণ প্ৰক্ৰিয়াত আগবাঢ়িবলৈ আমাক সঠিক পথৰ সন্ধান দিলে, সমন্বয়ৰ দ্বাৰা সমাজ শক্তিশালী কৰাৰ চেতনা দিলে, সাৰ্বজনীন নীতিৰ জৰিয়তে বৰ অসমৰ ভেটি গঢ় দি আমাৰ শক্তিশালী ইতিহাস ৰচনা কৰিলে সেইগৰাকী মহান ব্যক্তিৰ আদৰ্শৰে আমি আগুৱাই যাব লাগিব। একবিংশ শতিকাৰ প্ৰতিযোগিতামুখী বিশ্বত আমাৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব লাগিলে স্বৰ্গদেউ চ্যুকাফাই যি সমন্বয়ৰ নীতি প্ৰদান কৰি গৈছে তাৰ দ্বাৰা উদ্বুদ্ধ হৈ আমি জীৱনৰ বাটত আগবাঢ়িব লাগিব।' আজি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু চৰাইদেউ জিলা প্ৰশাসনৰ সহযোগত ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰত আয়োজিত কেন্দ্ৰীয় মে-ডাম-মে-ফী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দক্ষিণ-পূব এছিয়াত আহোম সকলে শাসন ব্যৱস্থাৰ জৰিয়তে এক শক্তিশালী ইতিহাস ৰচনা কৰি গৈছে। আহোম সকলে নিজৰ দক্ষতা, যোগ্যতাৰ জৰিয়তে বিশ্বৰ বিভিন্ন কৰ্ম ক্ষেত্ৰত উজলি উঠিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত ছশ বছৰীয়া আহোম ৰাজত্বৰ বিষয়ে আমাৰ নৱ প্ৰজন্মই অধ্যয়ন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ইতিহাস সংৰক্ষণ আৰু অধ্যয়ন সমভাবে আগুৱাব লাগিব। ৰাজ্য চৰকাৰে আহোম সকলৰ গৌৰৱোজ্জ্বল ইতিহাস সম্পৰ্কত নতুন প্ৰজন্মই যাতে সঠিক জ্ঞান আহৰণ কৰিব পাৰে তাৰ বাবে ৪২ গৰাকী স্বৰ্গদেউৰ স্মৃতি সুৰক্ষিত কৰাৰ অৰ্থে স্বৰ্গদেউ স্মৃতি ক্ষেত্ৰ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আহোম সকলৰ ৰাজত্বৰ কালছোৱাৰ সমাজ নীতি, শিক্ষা, অৰ্থনীতিৰ যি অধ্যায় সেয়া আজিৰ নতুন প্ৰজন্মই সবিশেষ জনাৰ বাবে আগ্ৰহী হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ শক্তিশালী ইতিহাস, ক্ষমতা বিশ্বৰ মানৱ সমাজে জানিব লাগিব। দক্ষিণ-পূব এছিয়াত সমন্বয়ৰ সেঁতু ৰচনা কৰিছিল চ্যুকাফাই। চ্যুকাফাই দেখুৱাই যোৱা নীতিৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ-পূব এছিয়াৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। আমাৰ নতুন প্ৰজন্মই চ্যুকাফাৰ আদৰ্শৰে নিজৰ দক্ষতা আৰু যোগ্যতাৰে দক্ষিণ-পূব এছিয়াত প্ৰভুত্ব বিস্তাৰ কৰিব লাগিব। প্ৰত্যাহ্বান অতিক্ৰমি জীৱনৰ বাটত কেনেকৈ আগুৱাই যাব লাগে সেই কথা চ্যুকাফাই দেখুৱাই থৈ গৈছে। অসমলৈ আহি স্থানীয় জনসাধাৰণৰ হৃদয় জয় কৰি এক মহান আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে। আমাৰ দৰে শক্তিশালী ইতিহাস ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সেই কথা অনুধাৱন কৰি আমাৰ মাজত থকা শক্তি বুটলিব লাগিব।

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সকলো জাতি-জনগোষ্ঠীক আস্থা আৰু বিশ্বাসত লৈ ৰাজ্য চৰকাৰে আগবাঢ়িছে। সকলো সৰু-বৰ জনগোষ্ঠীয়ে যাতে স্বাভিমান আৰু সম-মৰ্যাদাৰে জীয়াই থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি প্ৰস্তুত কৰি ৰূপায়ন কৰিছে। চ্যুকাফাৰ আদৰ্শৰে ৰাজ্য চৰকাৰে আগবাঢ়িছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৃহত্তৰ অসমীয়া জাতিক শক্তিশালী জাতি হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ ৰাইজৰ বিকাশ সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি আৰু কৰ্মসূচী লৈছে। স্বৰ্গদেউৰ নীতিৰে অসমীয়াৰ মৰ্যাদা সৰ্বকালৰ বাবে অক্ষুণ্ণ ৰাখিবলৈ ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ লৈছে। সাতামপুৰুষীয়া মূল্যবোধ জীয়াই ৰাখিবলৈ ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথাও আলোকপাত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আহোমৰ প্ৰথম ৰাজধানী চৰাইদেউৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন আৰু সাংসদ তপন কুমাৰ গগৈয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত চাহ জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক সকল ক্ৰমে নৰনিতা সন্দিকৈ, কুশল দুৱৰী, চক্ৰধৰ গগৈ, সাংস্কৃতিক সঞ্চালক বিষ্ণু কমল বৰা, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

আজিৰ এই অনুষ্ঠানত পদ্মশ্ৰী ড° যোগেন্দ্ৰ নাথ ফুকন, পদ্মশ্ৰী ইন্দিৰা পি পি বৰা আৰু শিক্ষাবিদ গোলাপ বৰগোঁহাইক মুখ্যমন্ত্ৰীয়ে সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এখন স্মৰণিকাও উন্মোচন কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে পৰম্পৰাগত টাই আহোম ধৰ্মীয় ৰীতি-নীতি অনুসৰি মাঙ্গলিক পূজাত ভাগ লৈ আহোম ৰাজ শাসনৰ স্বৰ্গদেউ সকলৰ লগতে পুলিন-পুথাও সকললৈও শ্ৰদ্ধা জনায়।

**পুঃডেঃ**
**৩১/০১/২০২০**